**ধৰ্মৰাজ আৰু অন্যান্য**

**বনাম**

**ছিতন আৰু অন্যান্য**

**নৱেম্বৰ ৬, ২০০৬**

**[ ন্যায়াধীশ অৰ্জিত পাছায়ত আৰু তৰুণ চেটাৰ্জী,]**

*ইউ. পি. ভূ-সম্পত্তিৰ একত্ৰিকৰণ অধিনিয়ম, ১৯৫৩ --- ধাৰা ৯এ(২) --- ভূমি অধিগ্ৰহণ কৰা হয় আৰু উমৈহতীয়া পূৰ্বপুৰুষৰ নামত ৰাজহৰ অভিলেখত লিপিৱদ্ধ কৰা হয় --- পিছত ভূমিৰ পুনঃ-বন্দৱস্তি কৰা হয় আৰু পৰিয়ালৰ অন্য এক সদস্যৰ নামত লিপিৱদ্ধ কৰা হয় --- ভূমিখিনি পূৰ্বপুৰুষৰ ভূমি বুলি ভিত্তি কৰি সেই ভূমিত সহ-ৰায়তি স্বত্ব দাবী কৰা --- পৰিয়ালৰ সদস্যসকলৰ উত্তৰাধিকাৰীৰ স্বাৰ্থত, যাৰ নামত পৰৱৰ্তী সময়ত ভূমিৰ ওপৰত একচেটিয়া সহ-ৰায়তি স্বত্ব দাবী কৰি ভূমিসমূহ লিপিৱদ্ধ কৰা হৈছিল, সেই ভূমিৰ মালিকীসত্ব সলনি হৈছিল আৰু উমৈহতীয়া পূৰ্বপুৰুষৰ ঠাইত উত্তৰাধিকাৰীৰ স্বাৰ্থত যিজন ব্যক্তিৰ নাম যথাযথভাৱে লিপিৱদ্ধ কৰা হৈছিল, ভূমিৰ মালিকীসত্ব আৰু পুনঃ-বন্দৱস্তিৰ ভিত্তিত তেওঁ উক্ত ভূমিসমূহ লাভ কৰাৰ অধিকাৰী আছিল।*

*ভাৰতীয় সংবিধান, ১৯৫০ --- লেখ অধিকাৰক্ষেত্ৰ --- একত্ৰীকৰণ কৰ্তৃপক্ষই তথ্য সন্ধানত হস্তক্ষেপ কৰে --- কেতিয়া --- ৰায় দিয়া হয় যে, যেতিয়া তেনে ঘটনাৰ তথ্যসমূহ বিকৃত হয় অথবা কোনো প্ৰমাণৰ ভিত্তিত নহয় --- উচ্চ ন্যায়ালয়ে একত্ৰীকৰণ কৰ্তৃপক্ষৰ সিদ্ধান্ত শুধৰণি কৰিব পাৰে বা তথ্য আৰু তেনে তথ্যৰ প্ৰমাণৰ ভিত্তিত আইন ঘোষণা কৰিব পাৰে --- তথ্যসমূহত, স্থাপিত, যে উচ্চ ন্যায়ালয়ে কেৱল স্বীকৃতিপ্ৰাপ্ত তথ্য আৰু একত্ৰীকৰণ কৰ্তৃপক্ষই বিচাৰি উলিওৱা তথ্যৰ ওপৰত আইনৰ প্ৰশ্নৰ বিষয়ে ঘোষণা কৰিছে --- অনুশীলন আৰু পদ্ধতি।*

ভিত্তি বছৰ ১৩৭৮ ফাছলিৰ সৈতে জড়িত খাটা নং ১১১ ৰ প্ৰবৃষ্টিসমূহৰ সন্দৰ্ভত আপীলকাৰী আৰু প্ৰতিবাদী উভয়েই ইউ. পি. ভূ-সম্পত্তিৰ একত্ৰিকৰণ অধিনিয়ম, ১৯৫৩ ৰ অন্তৰ্গত ধাৰা ৯(২) ৰ অধীনত আপত্তি দাখিল কৰিছিল। ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ সৈতে আপীলকাৰীসকলে খাটা নং ১১১ ত লিপিৱদ্ধ হৈ থকা ভূমিসমূহৰ ওপৰত এই ভিত্তিত যুগ্ম সহ-ৰায়তি স্বত্ব  দাবী কৰিছিল যে উক্ত ভূমি পূৰ্বপুৰুষে অৰ্জা ভূমি, যিহেতু সেই ভূমিসমূহ পক্ষসমূহৰ উমৈহতীয়া পূৰ্বপুৰুষ 'এছে' লাভ কৰিছিল আৰু 'এছ'ৰ নামত লিপিৱদ্ধ হৈ আছিল আৰু তাৰ পিছত উক্ত ভূমি প্ৰতিনিধি ৰূপে 'এ'ৰ নামত লিপিৱদ্ধ কৰা হৈছিল। 'এ'ৰ উত্তৰাধিকাৰী অৰ্থাৎ ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে এই ভিত্তিত একচেটিয়া সহ-ৰায়তি স্বত্ব  দাবী কৰিছিল যে খাটা নং ১১১ ত লিপিৱদ্ধ হৈ থকা ভূমিসমূহ যিসমূহ প্ৰথমে 'এছ'ৰ আছিল, সেইসমূহৰ ক্ষেত্ৰত তেতিয়াৰ মালিকে এৰ সৈতে পুনঃ-বন্দৱস্তি কৰিছিলে আৰু ১৩৩৮ এফত এৰ নামত লিপিৱদ্ধ কৰিছিল। একত্ৰীকৰণ বিষয়াই আপীলকাৰীসকলক ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ সৈতে উক্ত ভূমিৰ সহ-পট্টাদাৰ বুলি ধৰি লৈছিল আৰু আপীলকাৰীসকলে প্ৰস্তুত কৰা বংশবৃক্ষৰ ভিত্তিত অংশীদাৰিত্ব নিৰ্দ্ধাৰণ কৰিছিল। পক্ষসমূহৰ দ্বাৰা আপীল কৰ্তৃপক্ষৰ আগত দাখিল কৰা আপীলসমূহ খাৰিজ কৰা হৈছিল। ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলক দহ ছিটা (প্লট) ভূমিৰ একচেটিয়া পট্টাদাৰ বুলি ধৰি লৈ আৰু খাটাৰ বাকি থকা চিটাবোৰৰ ক্ষেত্ৰত আপীলকাৰী আৰু ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নামবোৰ লিপিৱদ্ধ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰি পক্ষসমূহে একত্ৰীকৰণ উপ-সঞ্চালকৰ আগত দাখিল কৰা পুনৰ্নিৰীক্ষণ আবেদনক আংশিকভাৱে অনুমতি প্ৰদান কৰা হৈছিল। উভয় পক্ষই একত্ৰীকৰণৰ উপ-সঞ্চালকৰ আদেশক প্ৰত্যাহ্বান জনাই লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে আপীলকাৰীয়ে দাখিল কৰা লেখ আবেদন খাৰিজ কৰিছিল আৰু ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে দাখিল কৰা লেখ আবেদন মঞ্জুৰ কৰিছিল আৰু সমগ্ৰ খাটা নং ১১১ ত অন্তৰ্ভুক্ত কৰা ভূমিসমূহ ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নামত লিপিৱদ্ধ কৰিব লাগিব বুলি সিদ্ধান্ত লৈ একত্ৰীকৰণ উপ-সঞ্চাকৰ সিদ্ধান্ত আৰু আদেশ বাতিল কৰিছিল। সেয়েহে 'এছ'ৰ জৰিয়তে দাবী কৰা ব্যক্তিসকলৰ বৰ্তমানৰ আপীল।

আপীলকাৰীসকলে দাবী কৰিছিল যে ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ে নিজৰ বিশেষ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰি একত্ৰীকৰণ কৰ্তৃপক্ষৰ সিদ্ধান্ত বাতিল কৰিবৰ কাৰণে উচ্চ ন্যায়ালয় স্বাধীন নাছিল; আৰু উচ্চ ন্যায়ালয়ে লেখ আবেদনখনক ৰক্ষণাবেক্ষণযোগ্যতাৰ ভিত্তিত খাৰিজ কৰা উচিত নাছিল যিহেতু তেওঁলোকৰ মাজৰ দুজন সহ-পট্টাদাৰক লেখ আবেদনত পক্ষ হিচাপে লোৱা হোৱা নাছিল; আৰু উক্ত ভূমি পূৰ্বপুৰুষৰ সম্পত্তি বুলি ভিত্তি কৰি আপীলকাৰীসকলে প্ৰমাণ কৰা বংশবৃক্ষ অনুসৰি তেওঁলোক অংশীদাৰিত্ব লাভ কৰাৰ যোগ্য আছিল।

১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে দাবী কৰিছিল যে উচ্চ ন্যায়ালয়ে কেৱল স্বীকৃতিপ্ৰাপ্ত তথ্য আৰু একত্ৰীকৰণ কৰ্তৃপক্ষই বিচাৰি উলিওৱা তথ্যসমূহৰ ওপৰত আইন ঘোষণা কৰিছে; আৰু সেই বিবাদিত ভূমি পূৰ্বাধিকাৰীজনে নিষ্পত্তিৰ জৰিয়তে আহৰণ কৰিছিল আৰু তেওঁৰ মৃত্যুৰ পিছত উক্ত ভূমি একচেটিয়াভাৱে তেওঁলোকৰ হাতত অৰ্পণ কৰিছিল।

উক্ত আপীল খাৰিজ কৰি আদালতে ৰায় প্ৰদান কৰিছিল;

১.১/ এইটো বৰ্তমান সুনিৰ্দিষ্ট আইন যে নিজৰ বিশেষ লেখ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰোতে উচ্চ ন্যায়ালয়ে একত্ৰীকৰণ কৰ্তৃপক্ষই সন্ধান কৰি উলিওৱা তথ্যসমূহৰ ওপৰত হস্তক্ষেপ কৰিব নালাগে যদিহে আৰু যেতিয়ালৈকে এই সিদ্ধান্তত উপনীত নহয় যে তেনে তথ্যসমূহ হয়তো বিকৃত নতুবা কোনো প্ৰমাণৰ ওপৰত নিৰ্ভৰ নকৰে। এই আদালতে প্ৰদান কৰা সিদ্ধান্তৰ ক্ৰম অনুসৰি ই আইনৰ এক সুনিৰ্দিষ্ট স্থিতি যে উচ্চ ন্যায়ালয়ৰ লেখ ক্ষেত্ৰাধিকাৰত, একত্ৰীকৰণ কৰ্তৃপক্ষৰ সিদ্ধান্ত শুধৰণি কৰা বা তথ্যবোৰৰ বা তাৰ প্ৰমাণৰ ভিত্তিত আইনখন ঘোষণা কৰাটো উচ্চ ন্যায়ালয়ৰ বাবে অনুমোদনযোগ্য। [৩৯৩-বি, ডি]

*মুকুন্দ ব'ৰ বনাম বংশীদৰ বুঢ়াগোহাঁই আৰু অন্যান্য,* এ আই আৰ (১৯৮০) এছ চি ১৫২৫; *ছৈদ য়াকুব বনাম কে. এছ. ৰাধাকৃষ্ণণ আৰু অন্যান্য,* [১৯৬৪] ৫ এছ চি আৰ আৰু *পশ্চিম বংগ ৰাজ্য বনাম এ. কে. শ্বাও,* এ আই আৰ (১৯৯০) এছ চি ২২০৫, ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

১.২/ উচ্চ ন্যায়ালয়ে একত্ৰীকৰণৰ উপ-সঞ্চালকৰ নিৰ্দেশ বাতিল কৰাৰ সময়ত তেওঁ সন্ধান কৰি উলিওৱা তথ্যসমূহ বাতিল কৰা নাছিল কিন্তু আনহাতে স্বীকৃতিপ্ৰাপ্ত তথ্য আৰু একত্ৰীকৰণ কৰ্তৃপক্ষই বিচাৰি উলিওৱা তথ্যসমূহৰ ওপৰত আইনৰ এক প্ৰশ্নৰ অৱতাৰণা কৰিছে। [৩৯৬-এফ, জি]

২/ এইটো বিবাদিত বিষয় নহয় যে খাটা নং ১১১ ত অন্তৰ্ভুক্ত কৰা ভূমিসমূহ মৌলিক বৰ্ষত ‘এছ’ৰ নামত লিপিৱদ্ধ হৈ আছিল। পিছত, ১৩৩৮ এফ বৰ্ষত নিষ্পত্তিৰ জৰিয়তে উক্ত ভূমি ‘এ’ৰ নামত লিপিৱদ্ধ কৰা হৈছিল। গতিকে স্পষ্ট হয় যে যদিও উক্ত ভূমি প্ৰথমতে ‘এছ’ৰ আছিল কিন্তু পৰৱৰ্তী পৰিঘটনাই স্পষ্টভাৱে সূচাইছিল যে সেই ভূমি ‘এ’ৰ নামত লিপিৱদ্ধ কৰা হৈছিল আৰু সেয়েহে স্বীকাৰ্য্যভাৱে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল ‘এ’ৰ উত্তৰাধিকাৰী হোৱাৰ অধিকাৰী আছিল। সেই অনুসৰি, উক্ত ভূমিৰ মালিকীসত্ব যে ‘এছ’ৰ পৰা ‘এ’লৈ আৰু তাৰ পিছত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকললৈ পৰিৱৰ্তন কৰা হৈছিল তাত কোনো সন্দেহ থাকিব নোৱাৰে। আনকি ইয়াত পূৰ্বে উল্লেখ কৰাৰ দৰে, খাটা নং ১১১ ত অন্তৰ্ভুক্ত হৈ থকা দহ চিটা ভূমিত একত্ৰীকৰণৰ উপ-সঞ্চালকে বিচাৰি উলিওৱা সকলো তথ্যৰ ভিত্তিত, ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নাম একচেটিয়াভাৱে সন্নিৱিষ্ট কৰা হ'ব। সেই সময়তে, একত্ৰীকৰণৰ উপ-সঞ্চালকজনে এইটোও সিদ্ধান্ত কৰিছিলে যে খাটা নং ১১১ ৰ বাকী থকা চিটাত আপীলকাৰীসকলৰ নাম অন্তৰ্ভুক্ত কৰিব লাগে। ওপৰোক্ত স্বীকাৰোক্ত তথ্যৰ পৰা স্পষ্ট হয় যে উক্ত খাটাত লিপিবদ্ধ কৰা মাটি বেলেগ বেলেগ নামত লিপিৱদ্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে খাটা নং ১১১ ত অন্তৰ্ভুক্ত হৈ থকা ভূমিসমূহৰ মালিকীসত্ব সলনি কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছিল যিটো আইন অনুসৰি অনুমোদনযোগ্য নহয়। [৩৮৯-চি, ডি; ৩৯৫-এফ, জি; ৩৯৬-এ, বি]

৩/ ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল, যাৰ নাম ‘এ’ৰ ফালৰ পৰা উত্তৰাধিকাৰী হিচাপে উক্ত ভূমিত যথাযথভাৱে লিপিবদ্ধ কৰা হৈছিল, মালিকীসত্বআৰু ভূমিৰ পুনঃ বন্দৱস্তিৰ ভিত্তিত তেওঁলোকে উক্ত ভূমিৰ উত্তৰাধিকাৰী হোৱাৰ অধিকাৰী আছিল বুলি ধৰি ল'ব লাগিব। যদিহে উক্ত ভূমিৰ মালিকীসত্ব সলনি কৰা হৈছে,

তেন্তে আপীলকাৰীসকলে এই ভিত্তিত সম্পত্তিখিনি নাপালে যে মূলতঃ এই ভূমি 'এছ'ৰ নামত লিপিৱদ্ধ কৰা হৈছিল আৰু উক্ত ভূমি তেওঁলোকৰ পৈত্রিক সম্পত্তি আছিল। সেয়েহে ১ ৰ পৰা ৩ নং প্রতিবাদীসকলৰ কথামতে স্থাপন কৰা বংশবৃক্ষ, যদিও তাৰ ওপৰত নির্ভৰ কৰিব নোৱাৰি, ১ ৰ পৰা ৩ নং প্রতিবাদীসকল পূর্বতে উল্লেখ কৰা তথ্যৰ ভিত্তিত তাৰ অধিকাৰী হোৱাৰ যোগ্য আছিল। [৩৬৯-বি, চি, ডি]

৪/ এই কথা একত্রীকৰণ কর্তৃপক্ষৰ আগত বিতর্কিত হোৱা নাছিল আৰু আপীলকাৰীসকলৰ অধিবক্তাইও বিতর্ক কৰা নাছিল যে 'এ'ৰ সপক্ষে কৰা পুন:বন্দৱস্তিৰ পৰিপ্রেক্ষিতত ভূমিৰ পৰিচয় সলনি কৰা হৈছিল। সেই অৱস্থিতিত, নির্ধাৰণ কৰিব লাগিব যে আপীলকাৰীসকলে তেওঁলোকে স্থাপন কৰা বংশবৃক্ষৰ কথা প্রমাণ কৰাৰ পিছতো আৰু উক্ত ভূমি উমৈহতীয়া পূর্বপুৰুষৰ দ্বাৰা অধিগ্রহণ কৰাৰ পিছতো, আপীলকাৰীসকলে সহ-ৰায়তি স্বত্ব আহৰণ কৰিব পৰা নাছিল। সেই অনুসৰি, আপীলকাৰীসকলক খাটা নং ১১১ ত অন্তর্ভুক্ত হৈ থকা কিছু ভূমিৰ ওপৰত সহ-পট্টাদাৰৰ অধিকাৰ প্রদান কৰাত একত্রীকৰণৰ উপ-সঞ্চালকে এই ক্ষেত্রত ভুল কৰিছিল যে সেই চিটাসমূহ প্রথমতে 'এছ'ৰ আছিল আৰু আপীলকাৰীসকলৰ পৈত্রিক সম্পত্তি আছিল। [৩৯৬-ডি, ই, এফ]

৫/ 'এছ'ৰ বংশধৰ হিচাপে ১৩ আৰু ১৪ নং আপীলকাৰীয়ে উক্ত ভূমিত তেওঁলোকৰ অংশ দাবী কৰিছিল। উক্ত ভূমি পুন:বন্দৱস্তিৰ কৰা হৈছিল আৰু 'এ'ৰ নামত লিপিবদ্ধ কৰা হৈছিল বাবে উক্ত ভূমিত 'এছে' তেওঁৰ অধিকাৰ, স্বত্ব আৰু স্বার্থ হেৰুৱাই পেলাইছিল বুলি প্রতিস্থা কৰা তথ্যৰ প্রতি লক্ষ্য ৰাখি ক'ব নোৱাৰি যে ১৩ আৰু ১৪ নং আপীলকাৰীক এই লেখ আবেদনৰ পক্ষ হিচাপে লোৱা উচিত আছিল যিহেতু তেওঁলোকক উক্ত ভূমিৰ সহ-পট্টাদাৰ হিচাপে গণ্য কৰাৰ যোগ্য বুলি পৰিলক্ষিত হোৱা নাছিল। ১৩ আৰু ১৪ নং আপীলকাৰী লেখ আবেদনৰ একেবাৰেই আৱশ্যকীয় পক্ষ নাছিল আৰু তেওঁলোকৰ অনুপস্থিতিত লেখ আবেদনখন উচ্চ ন্যায়ালয়ত বাহাল নৰখাৰ কোনো প্রশ্নই উত্থাপন হোৱা নাছিল। সেই অনুসৰি, উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আবেদনত ১৩ আৰু ১৪ নং আপীলকাৰীক অন্তর্ভুক্ত নকৰাৰ বাবে আইনগতভাৱে লেখ আৱেদনখন বাহালযোগ্য নাছিল বুলি উল্লেখ কৰিব নোৱাৰি। [৩৯৭-এ, বি, চি]

**<u>দেৱানী আপীলৰ অধিকাৰক্ষেত্ৰ : দেৱানী আপীল নং ৭৫০৭/১৯৯৭</u> ।**

লক্ষ্ণৌস্থিত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ বিচাৰপীঠে লেখ আৱেদন নং ২৭৩৬/১৯৭৬ৰ ওপৰত ২২/০৩/১৯৪৭ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ আৰ. জি. পড়িয়া, ভাৰত ৰাম আৰু প্ৰবীণ স্বৰূপ।

প্ৰতিবাদীসকলৰ হৈ অ'. পি. শৰ্মা, আৰ. চি. গুব্ৰেলে, কে. আৰ. গুপ্তা, ননিতা শৰ্মা আৰু ত্ৰিলোক নাথ চক্সেনা ।

আদালতৰ উক্ত ৰায় প্ৰদান কৰে **ন্যায়াধীশ তৰুণ চেটাৰ্জীয়ে।**

এলাহাবাদ উচ্চ ন্যায়ালয়ে (লক্ষ্ণৌ বিচাৰপীঠ) ডব্লিউ. পি. নং ২৭৩৬/১৯৭৬ ৰ ওপৰত ১৯৪৭ চনৰ ১২ মাৰ্চ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে এই আপীল দাখিল কৰা হৈছে যাৰ দ্বাৰা ছিতন, চন্দ্ৰিকা আৰু মাতৃ তথা অভিভাৱিকা শ্ৰীমতী সোনাৰাই প্ৰতিনিধিত্ব কৰা জয়ৰামৰ নাবালক পুত্ৰ কৰিয়াক এই আবেদনৰ ১ ৰ পৰা ৩ নং প্ৰতিবাদী ৰূপে গ্ৰহণ কৰি তেওঁলোকে দাখিল কৰা লেখ আবেদনখনক অনুমতি দিয়া হৈছিল আৰু একত্ৰীকৰণ কৰ্তৃপক্ষৰ সিদ্ধান্ত বাতিল কৰা হৈছিল। উক্ত লেখ আবেদনৰ অনুমতি প্ৰদান কৰি আপীলকাৰীসকলক তেওঁলোকৰ পৈত্ৰিক ৰায়তী স্বত্বৰ অভিযোগিত অংশৰ পৰা বঞ্চিত কৰা হৈছিল আৰু ফৈজাবাদ জিলাৰ পৰগনা আৰু তহচিল তন্দাৰ অন্তৰ্গত বলৰামপুৰ গাঁৱৰ ১১১ নং খাটাৰ অন্তৰ্ভুক্ত ভূমি (ইয়াত পিছত "উক্ত ভূমি" হিচাপে উল্লেখ কৰা হ'ব) ৰ ওপৰত ১ ৰ পৰা ৩ নং প্ৰতিবাদীক একক ৰায়তী স্বত্বৰ অধিকাৰ প্ৰদান কৰা হৈছিল। আমি খাটা নং ১৩ ৰ সৈতে জড়িত ভূমিৰ অন্য চিটাসমূহৰ ওপৰত কোনো বিবেচনা কৰাৰ প্ৰয়োজনবোধ নকৰোঁ যিহেতু এই আপীলৰ গোচৰত উদ্ভৱ হোৱা বিবাদ উক্ত ভূমিৰ সৈতে জড়িত নহয়। সেয়েহে আমি এই আপীলত উক্ত ভূমিৰ সৈতে জড়িত বিবাদৰ সন্দৰ্ভতহে বিবেচনা কৰিম। ইউ. পি. ভূ-সম্পত্তি একত্ৰিকৰণ অধিনিয়ম, ১৯৫৩ (চমুকৈ "অধিনিয়মখন") ৰ অন্তৰ্গত ধাৰা ৯এ(২) ৰ অধীনত এই আপীলৰ পক্ষসমূহে ১৩৭৮ ফাছলি বৰ্ষৰ সৈতে জড়িত খাটা নং ১১১ আৰু ১৩ ত অন্তৰ্ভুক্ত প্ৰবৃষ্টিসমূহৰ সন্দৰ্ভত দাখিল কৰা আপত্তিসমূহ বিচাৰৰ বাবে একত্ৰীকৰণ

কর্তৃপক্ষৰ ওচৰলৈ প্ৰেৰণ কৰা হৈছিল। ইয়াত পূৰ্বে উল্লেখ কৰাৰ দৰে, আমি পুনৰ কওঁ যে এই আপীলৰ অন্তৰ্গত বিবাদসমূহৰ সিদ্ধান্ত খাটা নং ১১১ ৰ অন্তৰ্ভুক্ত ভূমিৰ সন্দৰ্ভতহে লোৱা প্ৰয়োজন আৰু খাটা নং ১০ ত নহয়। খাটা নং ১১১ ৰ অন্তৰ্ভুক্ত ভূমি যে মৌলিক বৰ্ষত চলটনতিৰ নামত লিপিবদ্ধ কৰা হৈছিল সেই কথা বিবাদিত নহয়। পৰৱৰ্তী সময়ত, নিষ্পত্তিৰ জৰিয়তে উক্ত ভূমি ১৩৩৮ এফ বৰ্ষত অধিনৰ নামত লিপিবদ্ধ কৰা হৈছিল।অধিনৰ মৃত্যুৰ লগে লগে উক্ত ভূমি জববাৰৰ নামত লিপিবদ্ধ কৰা হৈছিল আৰু তাৰ পিছত জয় ৰামৰ নামত লিপিবদ্ধ কৰা হৈছিল। যিহেতু জয় ৰাম অনুসন্ধানহীন হৈ আছিল, তেওঁৰ ঠাইত তেওঁৰ পত্নী শ্ৰীমতী সোনাৰা আৰু নাবালক পুত্ৰ কৰিয়াই জয় ৰামৰ আইনী উত্তৰাধিকাৰী আৰু প্ৰতিনিধি হিচাপে তেওঁৰ ভূমি-সম্পত্তিৰ প্ৰতিনিধিত্ব কৰিছিল। শ্ৰীমতী সোনাৰাই দুবৰিৰ পুত্ৰ ছিতন আৰু শ্ৰীপটৰ পুত্ৰ চন্দ্ৰিকাৰ সৈতে এক বন্দৱস্ত কৰিছিল। তাৰ দ্বাৰা নাবালক পুত্ৰ কৰিয়াক প্ৰতিনিধিত্ব কৰা তেওঁৰ মাতৃ শ্ৰীমতী সোনাৰাই খাটা নং ১১১ ৰ সন্দৰ্ভত সহ-ৰায়তীস্বত্বৰ অধিকাৰ লাভ কৰিবলৈ ছিতন আৰু চন্দ্ৰিকাৰ সৈতে সন্মত হৈছিল। আনহাতে, দয়া ৰাম আৰু অন্যান্যই প্ৰতিনিধিত্ব কৰা আপীলকাৰীসকলে যুটীয়াভাৱে উক্ত ভূমিৰ ক্ষেত্ৰত এই ভিত্তিত সহ-ৰায়তীস্বত্বৰ অধিকাৰ দাবী কৰিছিল যে উক্ত ভূমিসমূহ তেওঁলোকৰ পূৰ্বপুৰুষ চলটনতিয়ে আহৰণ কৰিছিল আৰু তাৰ পিছত অধিনৰ পুত্ৰ জুখনৰ নাম প্ৰতিনিধি হিচাপে লিপিৱদ্ধ কৰা হৈছিল।

আপীলকাৰীসকলৰ মতে, পৰিয়ালটো কিছুদিনলৈকে যৌথভাৱে আছিল যেতিয়া অধিনৰ নামত ভূমি লিপিৱদ্ধ কৰা হৈছিল। চলটনতিৰ মৃত্যুৰ পিছত বিন্দা আৰু চেনেহী যৌথ পৰিয়ালৰ পৰা পৃথক হৈ গৈছিল আৰু অধিনে তেওঁৰ ভতিজা ভোলাই আৰু দুখীৰ সৈতে যৌথ পৰিয়ালৰ পৰা পৃথক হৈ গৈছিল। এনেদৰে, জুখন আৰু চলটনতিৰ উক্ত ভূমি যৌথ পৰিয়ালত বিতৰণ কৰা হৈছিল আৰু অংশবোৰ সমানে ভাগ কৰি দিয়া হৈছিল। অৱশ্যে, উক্ত ভূমিসমূহ অধিনৰ নামতেই লিপিৱদ্ধ হৈ থাকিল। কিছু সময়ৰ পাছত, ভোলাই আৰু দুখী, যিদুজন অধিনৰ লগত আছিল, তেওঁলোকো অধিনৰ পৰা পৃথক হৈ গৈছিল আৰু ভূমিবোৰ বিভাজনৰ জৰিয়তে পৃথক কৰা হৈছিল। একেদৰে, বিন্দা আৰু চেনেহীয়েও কিছুদিনৰ

বাবে একেলগে আছিল আৰু পিছত বিভাজনৰ দ্বাৰা পৃথক হৈ গৈছিল। খাটা নং ১১১ ৰ অন্তৰ্ভুক্ত সমগ্ৰ ভূমি অধিনৰ নামতেই লিপিৰদ্ধ হৈ থাকিল, যদিও দুখী, ভোলাই, বিন্দা আৰু চেনেহীয়ে তেওঁলোকৰ ভূমিত পৃথকে পৃথকে খেতি কৰিছিল। অধিনৰ মৃত্যুৰ পিছত, উক্ত ভূমি তেওঁৰ পুত্ৰ জববাৰৰ নামত লিপিবদ্ধ কৰা হৈছিল আৰু তাৰ পিছত, জববাৰৰ মৃত্যুৰ পিছত উক্ত ভূমি তেওঁৰ পুত্ৰ জয় ৰামৰ নামলৈ লিপিবদ্ধ কৰা হৈছিল। এই পৰ্যায়ত, পক্ষসমূহৰ বংশবৃক্ষ বুজিবলৈ , ইয়াত এতিয়া বংশবৃক্ষৰ এখন তালিকা উপস্থাপন কৰাটো উপযুক্ত হ'ব যিটো আপীলকাৰীসকলে আগতে দিয়াৰ দৰে বৰ্তমান বিবাদিত নহয়।

আপীলকাৰীসকলে পূৰ্বতে প্ৰস্তুত কৰা বংশবৃক্ষৰ তালিকাখন তলত উল্লেখ কৰা হৈছে :-

একত্ৰীকৰণ বিষয়াজনে তেওঁ প্ৰদান কৰা ১৯৭২ চনৰ ৬ জুনৰ তাৰিখৰ আদেশৰ জৰিয়তে উক্ত ভূমিৰ সন্দৰ্ভত জয় ৰামৰ সৈতে আপীলকাৰীসকল বা তেওঁলোকৰ পূৰ্বসূৰীসকলক সহ-পট্টাদাৰ বুলি ঘোষণা কৰিছিল আৰু ওপৰত উল্লেখ কৰা বংশবৃক্ষৰ তালিকা অনুসৰি তেওঁলোকৰ অংশবোৰ নিৰ্ধাৰণ কৰিছিল।

১৯৭২ চনৰ ৬ জুন তাৰিখে একত্ৰীকৰণ বিষয়াজনে প্ৰদান কৰা আদেশত ক্ষুব্ধ হৈ ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে এক আপীল দাখিল কৰিছিল আৰু লগতে দয়া ৰাম আৰু অন্যান্যইও এক আপীল দাখিল কৰিছিল। অৱশ্যে, আপীল কতৃপক্ষ, অৰ্থাৎ সহকাৰী নিষ্পত্তিকৰণ বিষয়াৰ আগত পক্ষসমূহে দাখিল কৰা আপীলসমূহ খাৰিজ কৰা হৈছিল। পক্ষসমূহে একত্ৰীকৰণৰ উপ-সঞ্চালকৰ আগত পুনৰীক্ষণৰ আৱেদন দাখিল কৰিছিল যিবোৰক আংশিকভাৱে অনুমতি প্ৰদান কৰি নিষ্পত্তি কৰা হৈছিল আৰু তলত উল্লেখ কৰা আদেশ গৃহীত কৰা হৈছিল :

"আদেশ প্ৰদান কৰা হৈছিল যে সমগ্ৰ মৌলিক বৰ্ষতেই খাটা নং ১৩ ত কেৱল ছিতন (প্ৰতিবাদী নং ১), জয় ৰাম (প্ৰতিবাদী নং ২) আৰু চন্দ্ৰিকা (প্ৰতিবাদী নং ৩) ৰ নামহে অন্তৰ্ভুক্ত কৰিব পাৰিব। *খাটা নং ১১১ ৰ চিটা নং ১৫২, ১৫৪, ১৬১, ৪২৫, ৪৩৫, ৪৪২, ৪৭৫, ৪৮১, ৪৬৫ আৰু ৫১১ ৰ ওপৰতো কেৱল ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ*

*নামহে অন্তৰ্ভুক্ত কৰা হ'ব।* খাটা নং ১১১ ৰ বাকী থকা চিটাসমূহৰ ওপৰত, একত্ৰীকৰণৰ বিষয়া আৰু সহকাৰী নিষ্পত্তিকৰণ বিষয়াৰ আদেশ অনুসৰি উভয় পক্ষৰ নামসমূহ সহ-পট্টাদাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।"

এই পৰ্যায়ত আমাক প্ৰতিদ্বন্দিতাকাৰী পক্ষসমূহে প্ৰস্তুত কৰা বংশবৃক্ষৰ তালিকাখন গ্ৰহণ কৰাৰ বিষয়টো বিবেচনা কৰিবলৈ দিয়ক। এইটো দয়া ৰাম আৰু অন্যান্য (ইয়াত আপীলকাৰী) ৰ গোচৰ আছিল যে বেকাৰু জুখনৰ পুত্ৰ আছিল, আনহাতে কেৱল ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ গোচৰ আছিল যে বেকাৰু চলটনতিৰ পুত্ৰ আছিল। যি কি নহওঁক, বেকাৰু যে চলটনতিৰ পুত্ৰ আছিল সেই কথা প্ৰমাণ কৰাত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল ব্যৰ্থ হৈছিল।

একত্ৰীকৰণ কতৃপক্ষই, বিশেষকৈ, পুনৰ সংশোধনী কতৃপক্ষই পোৱা এক তথ্যৰ ভিত্তিত এইটো বৰ্তমান বিবাদিত নহয় যে বেকাৰু জুখনৰ পুত্ৰ আছিল আৰু সেয়েহে আপীলকাৰীসকলে প্ৰস্তুত কৰা বংশবৃক্ষৰ তালিকাখন গ্ৰহণ কৰিব লাগিব।

ওপৰত উল্লেখ কৰাৰ দৰে, একত্ৰীকৰণৰ উপ-সঞ্চালকজনে ৰায় দিছিল যে খাটা নং ১১১ ৰ চিটা নং ১৫২, ১৫৪, ১৬১, ৪২৫, ৪৩৫, ৪৪২, ৪৭৫, ৪৮১, ৪৬৫, আৰু ৫১১ ত ছিতন, জয় ৰাম আৰু চন্দ্ৰিকাৰ নামবোৰ অন্তৰ্ভুক্ত কৰিব লাগে আৰু খাটা নং ১১১ ৰ বাকী থকা চিটাসমূহৰ ক্ষেত্ৰত একত্ৰীকৰণৰ বিষয়া আৰু সহকাৰী নিষ্পত্তিকৰণ বিষয়াই পোৱা তথ্যসমূহ তেওঁ মানি লৈছিল। অৰ্থাৎ, খাটা নং ১১১ ৰ বাকী থকা চিটাসমূহৰ ক্ষেত্ৰত প্ৰতিবাদীক সহ-পট্টাদাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।

পূৰ্বতে উল্লেখ কৰা পুনৰীক্ষণৰ আৱেদনবোৰত গৃহীত হোৱা পুনৰীক্ষণ কতৃপক্ষৰ এই আদেশক প্ৰত্যাহ্বান জনাই দয়া ৰাম আৰু অন্যান্যই এলাহাবাদ উচ্চ ন্যায়লয়ত এখন লেখ আবেদন দাখিল কৰিছিল, যিখন ডব্লিউ. পি. নং ২৮৩৮/১৯৭৬ হিচাপে পঞ্জীয়নভুক্ত কৰা হৈছিল। অন্যান্য বিষয়ৰ লগতে, পূৰ্বতে উল্লেখ কৰা লেখ আৱেদনত দয়া ৰাম আৰু আন লোকসকলে উত্থাপন কৰা গোচৰটো আছিল যে পুনৰীক্ষণ কতৃপক্ষ হিচাপে কাম কৰা একত্ৰীকৰণৰ উপ-সঞ্চালকজনে আপীলকাৰীসকলক, যাক ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ সৈতে উক্ত ভূমিৰ আৰু লগতে খাটা নং ১১১

ৰ বাকী থকা চিটাসমূহৰ ক্ষেত্ৰত সহ-পট্টাদাৰ হিচাপে ধৰা উচিত আছিল, নধৰি ভুল কৰিছিল। আনহাতে, পুনৰনিৰীক্ষণ মোকৰ্দমাসমূহত একত্ৰীকৰণৰ উপ-সঞ্চালকজনে প্ৰদান কৰা আদেশক এই ভিত্তিত প্ৰত্যাহ্বান জনাই যে বৰ্তমানৰ গোচৰৰ স্বীকৃতিপ্ৰাপ্ত তথ্যৰ ভিত্তিত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল উক্ত ভূমিৰ একক পট্টাদাৰ হব লাগিছিল, ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলেও একত্ৰীকৰণৰ উপ-সঞ্চালকজনে প্ৰদান কৰা আদেশৰ বিৰুদ্ধে ডব্লিউ. পি. নং ২৭৩৬/১৯৭৬ শীৰ্ষক এখন লেখ আবেদন দাখিল কৰিছিল।

পক্ষসমূহৰ শুনানি গ্ৰহণ কৰাৰ পিছত, উচ্চ ন্যায়ালয়ে উক্ত বিবাদিত ৰায়ৰ দ্বাৰা নিম্ন লিখিত আদেশ প্ৰদান কৰি ওপৰত উল্লেখ কৰা দুয়োখন লেখ আবেদন নিষ্পত্তি কৰিছিল:-

> "ফলস্বৰূপে, কোনো গ্ৰহণযোগ্যতা নথকাৰ কাৰণে দয়া ৰাম আৰু অন্যান্যই দাখিল কৰা লেখ আৱেদন নং ২৮৩৮/৭৬ খাৰিজ কৰা হয় আৰু ইয়াৰ দ্বাৰা ছিতন আৰু অন্যান্যই দাখিল কৰা লেখ আৱেদন নং ২৭৩৬/৭৬ ক অনুমতি প্ৰদান কৰা হয় আৰু ১৩/০৪/১৯৭৬ তাৰিখে একত্ৰীকৰণৰ উপ-সঞ্চালকজনে গৃহীত কৰা আদেশত উল্লেখিত খাটা নং ১১১ ৰ দহ চিটা ভূমিৰ সৈতে যিমান দূৰলৈকে জড়িত তথা যাৰ দ্বাৰা দয়া ৰাম আৰু অন্যান্যক সহ-পটতাদাৰৰ অধিকাৰ প্ৰদান কৰা হৈছে, ইয়াৰ দ্বাৰা উক্ত আদেশ বাতিল কৰা হয় আৰু আবেদনকাৰী ছিতন, চন্দ্ৰিকা আৰু শ্ৰীমতী সোনাৰাৰ অভিভাৱকত্বত কৰিয়াৰ নামবোৰ ফৈজাবাদ জিলাৰ তহচিল আৰু পৰগনা তন্দাৰ অন্তৰ্গত বলৰামপুৰ গাঁৱৰ খাটা নং ১১১ ৰ সমগ্ৰ ভূমিৰ আৰু খাটা নং ১৩ ৰ অন্তৰ্গত ভূমিৰো একক স্বত্বাধিকাৰী হিচাপে লিপিবদ্ধ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হয়। ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ নাই।"

লেখ আবেদনসমূহ নিষ্পত্তি কৰাৰ সময়ত, উচ্চ ন্যায়ালয়ে দিয়া ৰায় চমুকৈ তলত দিয়া ধৰণে দিয়ে:-

ক) বিবাদিত ভূমি চলটনতিৰ পৰা অধিনৰ হাতত অৰ্পণ কৰা নাছিল।

খ) খাটা নং ১১১ ত থকা ভূমিসমূহ তেতিয়াৰ ভূমিৰ মালিকে কিছু অংশ অধিনক দি আৰু অন্য চিটাসমূহ আন ব্যক্তিসকলক দি ভূমিৰ পুনৰ বন্দবস্তী কৰা হৈছিল। গতিকে, ই এক নতুন বন্দবস্তী আছিল আৰু স্বত্বাধিকাৰৰ পৰিচয়ৰ কোনো ধাৰাবাহিকতা নাছিল।

গ) একত্ৰীকৰণ কৰ্তৃপক্ষই সন্ধান কৰি পোৱা তথ্যসমূহ গ্ৰহণ কৰি বা স্বীকৃতিপ্ৰাপ্ত তথ্যৰ ভিত্তিত, উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে বিবাদিত স্বত্বাধিকাৰ আচলতে একে ৰূপত অহা নাছিল আৰু উমৈহতীয়া পূৰ্বপুৰুষৰ স্বত্বাধিকাৰৰ কিছুমান চিটাহে কেৱল বিবাদিত স্বত্বাধিকাৰত অন্তৰ্ভুক্ত থকা পৰিলক্ষিত হৈছিল আৰু সেয়েহে তাক পৈত্ৰিক স্বত্বাধিকাৰ বুলি ক'ব পৰা হোৱা নাছিল যাতে আপীলকাৰীসকলক এই ভিত্তিত অংশীদাৰিত্ব প্ৰদান কৰিব পৰা যায় যে উক্ত চিটাসমূহ স্বত্বাধিকাৰৰ পৰা উলিয়াই আনিবলৈ আৰু সেইসমূহক পৈত্ৰিক সম্পত্তি বুলি ঘোষণা কৰিবলৈ অনুমতি প্ৰদান কৰা নহ'ব আৰু আপীলকাৰীসকলক উক্ত ভূমিত অংশ দিয়া হ'ব।

ই উচ্চ ন্যায়ালয়ৰ সেই আদেশ, যি আমাৰ সন্মুখত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু যাৰ ক্ষেত্ৰত অনুমোদন দিয়া হৈছিল। আমি দুয়োপক্ষৰ বিদ্বান অধিবক্তাৰ কথা শুনিলো আৰু একত্ৰীকৰণ কৰ্তৃপক্ষৰ আদেশ আৰু শেষত উচ্চ ন্যায়ালয়ৰ বিবাদিত আদেশো ভালদৰে পৰীক্ষা কৰিলো।

উক্ত কথাক অভিলেখলৈ অনা উচিত যে দয়া ৰাম আৰু অন্যান্যই তেওঁলোকৰ বিপক্ষে যোৱা আদেশৰ অংশটোক প্ৰত্যাহ্বান জনাই দাখিল কৰা আপীলৰ সন্দৰ্ভত আমাতকৈ আগতে কোনেও দাবী জনোৱা নাই। আমি নিজকে উক্ত প্ৰশ্নত সীমাবদ্ধ কৰি ৰাখিছো যে উচ্চ ন্যায়ালয়ে অনুমোদন জনোৱাৰ দৰে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে জনোৱা দাবীসমূহ ন্যায়সংগত আছিল নে নাই।

এই সংক্ৰান্তত আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা ডঃ আৰ. জি. পড়িয়াৰ মূল যুক্তি আছিল যে উচ্চ ন্যায়ালয়ে সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অন্তৰ্গত বিশেষ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি একত্ৰীকৰণ কৰ্তৃপক্ষই সন্ধান কৰি পোৱা তথ্যবোৰ বাতিল কৰাৰ ক্ষেত্ৰত স্বাধীন নাছিল। কিন্তু, এইটো ডঃ পড়িয়াৰ দাবী নাছিল যে যেতিয়া একত্ৰীকৰণ কৰ্তৃপক্ষই তেওঁলোকৰ আগত পক্ষসমূহে স্বীকাৰ কৰা বা প্ৰমাণ কৰা তথ্যৰ ওপৰত আইনৰ এক বিষয়ত সিদ্ধান্ত লোৱাত ভুল কৰিছিল, তেতিয়া উচ্চ ন্যায়ালয়ে নিজৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত স্বাধীন নাছিল। এইদৰে, ডঃ পড়িয়াই আপত্তি কৰিছিল যে উচ্চ ন্যায়ালয়ে সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত নিজৰ মতামত পোষণ কৰি একত্ৰীকৰণ কৰ্তৃপক্ষই বিচাৰি উলিওৱা তথ্যৰ সন্ধানবোৰক একাষৰীয়া কৰি ভুল কৰিছিল।

দ্বিতীয়তে, ডঃ পড়িয়াই আপত্তি কৰিছিল যে যিহেতু সহ-পট্টাদাৰসকলৰ মাজৰ দুজনক লেখ আবেদনৰ পক্ষ কৰা হোৱা নাছিল, যিদুজন উক্ত আপীলত ১৩ আৰু ১৪ নং আপীলকাৰী ৰূপে আছিল, সেয়েহে তেওঁলোকৰ অনুপস্থিতিত শুনানি আৰু নিষ্পত্তি কৰা লেখ আৱেদনসমূহ আইনৰ অধীনত ৰক্ষণাবেক্ষণ যোগ্য বুলি ক'ব কৰিব পৰা হোৱা নাছিল।

অৱশ্যে, ওপৰত উল্লেখ কৰা ডঃ পড়িয়াৰ দুতৰপীয়া দাবীক ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা অ'. পি. শৰ্মাই বিৰোধ কৰিছিল। সেয়েহে, পক্ষসমূহৰ বিদ্বান অধিবক্তাসকলে উত্থাপন কৰা আৰু ইয়াত পূৰ্বতে বিতংভাৱে উল্লেখ কৰা মূল প্ৰশ্নটো পৰীক্ষা কৰা যাওক। আমি ইতিমধ্যেই উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায় আৰু তিনিওটা একত্ৰীকৰণ কৰ্তৃপক্ষৰ আদেশৰ বিষয়ে আলোচনা কৰিছো। বৰ্তমান ই এক সুনিৰ্দিষ্ট আইন যে নিজৰ বিশেষ লেখ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে একত্ৰীকৰণ কৰ্তৃপক্ষই সন্ধান কৰি পোৱা তথ্যৰ ওপৰত হস্তক্ষেপ কৰিব নালাগে যদিহে আৰু যেতিয়ালৈকে উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত নহয় যে তেনে তথ্যৰ সন্ধানসমূহ হয়তো বিকৃত নতুবা কোনো প্ৰমাণৰ ওপৰত ভিত্তি নকৰে। এই কথাও মনত ৰাখিবলগীয়া যে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ হৈ হাজিৰ হোৱা মিষ্টাৰ শৰ্মাইও সেই পৰ্যায়লৈকে কোনো দাবী আগবঢ়োৱা নাছিল যে মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিত কৰ্তৃপক্ষসমূহে পোৱা তথ্যৰ সন্ধানসমূহ আচলতে বিকৃত বা কোনো প্ৰমাণৰ ওপৰত নিৰ্ভৰ নকৰে বুলি ক'ব পৰা যায়। মিষ্টাৰ শৰ্মাইৰ দাবী আছিল যে স্বীকৃতিপ্ৰাপ্ত তথ্য আৰু একত্ৰীকৰণ কৰ্তৃপক্ষই সন্ধান কৰি পোৱা তথ্যসমূহৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে তেনে স্বীকৃতিপ্ৰাপ্ত আৰু প্ৰমাণিত তথ্যৰ ওপৰতহে আইন ঘোষণা কৰিছে।

এই ন্যায়ালয়ৰ সিদ্ধান্তৰ ক্ৰম অনুসৰি ই আইনৰ এক সুনিশ্চিত অৱস্থান যে উচ্চ ন্যায়ালয়ৰ লেখ অধিকাৰক্ষেত্ৰত একত্ৰীকৰণ কৰ্তৃপক্ষৰ সিদ্ধান্ত শুধৰণি কৰা বা এনে তথ্যৰ প্ৰমাণৰ ভিত্তিত আইন ঘোষণা কৰাটো উচ্চ ন্যায়ালয়ৰ বাবে সদায় অনুমোদিত। উক্ত প্ৰস্তাৱনাৰ বাবে আমি *মুকুন্দ বʼৰ বনাম বংশীধৰ বুঢ়াগোহাঁই আৰু অন্যান্য* এ আই আৰ (১৯৮০) এছ চি ১৫২৪ গোচৰত ন্যায়ালয়ৰ আগবঢ়োৱা এক সিদ্ধান্ত উপযোগীভাৱে উল্লেখ কৰিব পাৰো, য'ত উক্ত ন্যায়ালয়ে ইংগিত দিছিল যে কেতিয়া উচ্চ ন্যায়ালয়ে অৰ্ধ ন্যায়িক কৰ্তৃপক্ষৰ আদেশৰ ওপৰত হস্তক্ষেপ কৰিব পাৰে। উক্ত পৰ্যবেক্ষণ উদ্ধৃত কৰিব পাৰি যিটো তলত উল্লেখ কৰা ধৰণৰ:

"যেতিয়া তথ্যৰ ওপৰত আপীলৰ অধীন হোৱা ব'ৰ্ডৰ আদেশ নিখুঁত নহয়, তেতিয়া আমি মনত ৰাখিব লাগে যে সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত ঘৰুৱা ন্যায়াধিকৰণে (Domestic Tribunal) পোৱা এক তথ্যৰ সন্ধানৰ ওপৰত হস্তক্ষেপ কৰিব নোৱাৰি। উচ্চ ন্যায়ালয়ে নিজৰ বিশেষ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰোতে আপীল আদালত হিচাপে কাম কৰিব নোৱাৰে। *ই কেৱল তেতিয়াহে হস্তক্ষেপ কৰে যেতিয়া ঘৰুৱা আদালতৰ অধিকাৰক্ষেত্ৰৰ সন্দৰ্ভত অভিলেখত স্পষ্টৰূপে এক ভুল পৰিলক্ষিত হয়। এই ক্ষেত্ৰত তেনেকুৱা নহয়। এইটো সঁচা যে প্ৰমাণৰ ওপৰত ভিত্তি নকৰাকৈ বা বিশুদ্ধ অনুমান আৰু আন্দাজৰ ওপৰত ভিত্তি কৰি বা প্ৰাকৃতিক ন্যায়ৰ মৌলিক নীতিৰ বিৰুদ্ধে স্পষ্টভাৱে থকা তথ্যক আইনৰ এক ক্ৰুটি ক'ব পাৰি।* উক্ত মোকৰ্দমাত, ই বহুলাংশে অসম আবকাৰী নিয়মাৱলীৰ অন্তৰ্গত ২০৬(২) নং নিয়মৰ অধীনৰ এক তথ্যৰ সন্ধান, আৰু এখন দোকানৰ সংস্থাপনৰ বাবে দাখিল কৰা এক আৱেদনত আৱেদনকাৰীয়ে উক্ত ঠিকাৰ কামত তেওঁৰ আৰ্থিক ক্ষমতা সম্পৰ্কে সম্পূৰ্ণ তথ্য দিব লাগে। তেনে তথ্যত বিত্তীয় উৎস, নগদ ধন, বেংকৰ জমা ধন, নিৰাপত্তা সম্পত্তি আদি সকলো তথ্য সন্নিৱিষ্ট কৰিব লাগে। তাৰ পিছত, তদন্ত বিষয়াৰ দ্বাৰা তেনে তথ্যৰ সত্যাসত্য নিৰূপণ কৰা হয়।"

(স্পষ্টীকৰণ আমাৰ)

[১৯৬৪] ৫ এছ চি আৰ ৬৪ ত প্ৰতিবেদন কৰা *ছৈয়দ য়াকুব বনাম কে. এছ. ৰাধাকৃষ্ণণ আৰু অন্যান্যত* উক্ত ন্যায়ালয়ে নিম্ন লিখিত ধৰণে পৰ্যবেক্ষণ কৰিছিল :

"এটা প্ৰক্ৰিয়াত তথ্যৰ সন্ধানক এই ভিত্তিত প্ৰত্যাহ্বান জনাব নোৱাৰি যে তথ্যটো বৰ্তাই ৰাখিবৰ কাৰণে প্ৰাসংগিক আৰু বস্তুগত প্ৰমাণসমূহ অপৰ্যাপ্ত আছিল আৰু প্ৰমাণৰ সেই পৰ্যাপ্ততা বা যথেষ্টতা বা প্ৰমাণৰ পৰা ল'বলগীয়া তথ্যৰ অনুমান বা তথ্যৰ সন্ধান ন্যায়াধিকৰণৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত থাকে।"

আকৌ, এ আই আৰ (১৯৯০) এছ চি ২২০৫ ত এই প্ৰতিবেদন কৰা পশ্চিম বংগ ৰাজ্য বনাম এ. কে. শ্বাওৰ মোকৰ্দমাত এই ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল যে যদি অৰ্ধ ন্যায়িক বিচাৰালয়ে অভিলেখত থকা প্ৰমাণৰ মোল বুজিলেহেঁতেন আৰু তথ্যৰ সন্ধানবোৰ লিপিবদ্ধ কৰিলেহেঁতেন, তেন্তে সেই তথ্যৰ সন্ধানবোৰ উচ্চ ন্যায়ালয়ৰ ওপৰতো

বাধ্যতামূলক হ'লহেঁতেন। ন্যায়িক পুনৰ্নিৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা, উচ্চ ন্যায়ালয়ে অভিলেখত থকা প্ৰমাণক ভাল বুলি গণ্য কৰিব নোৱাৰে আৰু উচ্চ ন্যায়ালয়ে নিজে সন্ধান কৰি পোৱা তথ্যক লিপিবদ্ধ কৰিব নোৱাৰে। যদিহে তথ্যসমূহে কোনো প্ৰমাণৰ ওপৰত ভিত্তি নকৰে বা অনুমান আৰু আন্দাজৰ ওপৰত ভিত্তি কৰে আৰু কোনো যুক্তিবাদী ব্যক্তিয়ে নিৰ্দিষ্ট তথ্য আৰু পৰিস্থিতিত অভিলেখত থকা প্ৰমাণৰ ওপৰত ভিত্তি কৰি অৰ্ধ ন্যায়িক কৰ্তৃপক্ষই গ্ৰহণ কৰা সিদ্ধান্তত উপনীত হব নোৱাৰে, তেন্তে উচ্চ ন্যায়ালয়ে নিশ্চিতভাৱে তদাৰক কৰিব যে কৰ্তৃপক্ষই লিপিবদ্ধ কৰা তথ্যসমূহে কোনো প্ৰমাণৰ ওপৰত নিৰ্ভৰ নকৰে নে অনুমান বা আন্দাজেৰে আৱদ্ধ।

এই ন্যায়ালয়ে নিষ্কাশন কৰা আইনখনৰ প্ৰতি লক্ষ্য ৰাখি, বিবেচনাৰ অধীনত থকা প্ৰশ্নটোৰ ওপৰত ১১১ নং খাটাত লিপিৱদ্ধ কৰা ভূমিৰ সন্দৰ্ভত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নাম সহ-পটতাদাৰ ৰূপে অন্তৰ্ভূত কৰিব লাগিব বুলি ঘোষণা কৰা একত্ৰীকৰণ কৰ্তৃপক্ষৰ আদেশক উচ্চ ন্যায়ালয়ে পৰিৱৰ্তন কৰাটো ন্যায়সংগত আছিল নে নাই তাক বিবেচনা কৰো আহক। কেৱল উচ্চ ন্যায়ালয়ৰে নহয়, একত্ৰীকৰণ কৰ্তৃপক্ষইও বিচাৰি পোৱা তথ্যসমূহো ভালকৈ পৰীক্ষা কৰি চোৱাটো আমাৰ বাবে ফলপ্ৰসূ হ'ব। মূল কৰ্তৃপক্ষ হিচাপে একত্ৰীকৰণ বিষয়াই অধিনিয়মখনৰ অধীনত অভিলেখত থকা তথ্যসমূহ বিবেচনা কৰি আপীলকাৰীসকলক ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ লগতে উক্ত ভূমিৰ সহ-পটতাদাৰ ৰূপে ধৰি লৈছিল। সহকাৰী নিস্পত্তিকৰণ বিষয়াই আপীলত ৰায় দিছিল যে উক্ত কথা ধৰি লোৱাত একত্ৰীকৰণ বিষয়াজন সঠিক আছিল যে ১১১ নং খাটাত লিপিৱদ্ধ কৰা ভূমিৰ সন্দৰ্ভত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নামো লিপিৱদ্ধ কৰিব লাগে, অৰ্থাৎ ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলে প্ৰস্তুত কৰা মোকৰ্দমাত তেওঁলোকক যে ১১১ নং খাটাৰ ক্ষেত্ৰত একক পটতাদাৰ বুলি ঘোষণা কৰিব লাগে, সেই দাবীক গ্ৰহণ কৰা হোৱা নাছিল।

ইয়াত পূৰ্বে উল্লেখ কৰাৰ দৰে, উক্ত আপীলত উপ-সঞ্চালকজনে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলক দহ চিটা ভূমিৰ একক পটতাদাৰ হিচাপে ধৰি লৈছিল আৰু উক্ত খাটাৰ বাকী থকা চিটাবোৰৰ ক্ষেত্ৰত আপীলকাৰী তথা ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নাম একক পটতাদাৰ হিচাপে লিপিবদ্ধ কৰিব লাগে বুলি একত্ৰীকৰণৰ উপ-সঞ্চালকজনে নিৰ্দেশ প্ৰদান কৰিছিল।

অৱশ্যে, আমি ইতিমধ্যেই অভিলেখত সন্নিৱিষ্ট কৰিছো যে উচ্চ ন্যায়ালয়ে উক্ত কথা ধৰি লৈ একত্ৰীকৰণৰ উপ-সঞ্চালকজনে পোৱা তথ্যসমূহ আৰু তেওঁ প্ৰদান কৰা আদেশ পৰিৱৰ্তন কৰিছিল যে সমগ্ৰ খাটা নং ১১১ ত লিপিবদ্ধ কৰা ভূমি ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নামত লিপিবদ্ধ কৰিব লাগে। উচ্চ ন্যায়ালয়ত দাখিল কৰা উক্ত আপীলত আপীলকাৰীসকলৰ গোচৰটো আছিল যে যিহেতু ১১১ নং খাটাত লিপিৱদ্ধ কৰা ভূমিসমূহ প্ৰথমতে চলটনতিৰ আছিল আৰু তেওঁলোকে তেখেতৰ আৰু জুখনৰ পুত্ৰ বেকাৰুৰ অংশক প্ৰতিনিধিত্ব কৰিছিল, সেয়েহে আপীলকাৰীসকলে প্ৰস্তুত কৰা বংশবৃক্ষ অনুসৰি তেওঁলোক অংশীদাৰিত্ব লাভ কৰাৰ অধিকাৰী আছিল। উচ্চ ন্যায়ালয়ত এই বিষয়তো দাবী উত্থাপন কৰা হৈছিল যে একত্ৰীকৰণৰ উপ-সঞ্চালকজনে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলক ১১১ নং খাটাৰ দহ চিটা ভূমিৰ একচেটিয়া পটতাদাৰ হিচাপে ধৰি লৈ ভুল কৰিছিল যিবোৰ ভূমি তেওঁলোকৰ মতে চলটনতিৰ আছিল। আনহাতে, ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ মত আছিল যে উক্ত খাটাৰ সমগ্ৰ ভূমি অধিনে আহৰণ কৰিছিল আৰু ১৩৩৮ এফত তেওঁৰ নামত লিপিবদ্ধ কৰা হৈছিল। সেয়েহে, খাটা নং ১১১ ত লিপিবদ্ধ কৰা ভূমি যি প্ৰথমতে চলটনতিৰ আছিল, সেই ভূমি তেতিয়াৰ ভূমিৰ মালিকে অধিন আৰু অন্যান্যৰ নামত লিপিবদ্ধ কৰি পুনৰ সংস্থাপন কৰিছিল। ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ মতামত আছিল যে উক্ত খাটাত থকা ভূমি ১৩৩৮ এফ বৰ্ষত অধীনৰ নামত লিপিবদ্ধ কৰোতে, তাত আন কিছুমান ছিতাও লিপিবদ্ধ কৰা হৈছিল। যথাক্ৰমে, আহ্বান জনোৱা হৈছিল যে বিবাদিত ভূমি পুনৰ সংস্থাপনৰ জৰিয়তে অধিনে আহৰণ কৰিছিল যি ভূমি তেতিয়াৰ পৰা তেখেতৰ দখলত আছিল আৰু তেখেতৰ মৃত্যুৰ পিছত উক্ত ভূমি ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নামলৈ একচেটিয়াভাৱে স্থানান্তৰিত হৈছিল। সমগ্ৰ খাটা নং ১১১ ৰ ওপৰত আপীলকাৰীসকলে কোনো অধিকাৰ, স্বত্ব আৰু স্বাৰ্থ দাবী কৰিব নোৱাৰে আৰু ভূমিখিনি পৈত্ৰিক সম্পত্তি বুলি গণ্য কৰি তেওঁলোকে সহ-পটতাদাৰৰ অধিকাৰো লাভ কৰিব নোৱাৰে।

সেয়েহে, ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হয় যে যদিও উক্ত ভূমি প্ৰথমতে চলটনতিৰ আছিল, কিন্তু পৰৱৰ্তী পৰিঘটনাই স্পষ্টভাৱে সূচাইছিল যে উক্ত ভূমি অধিনৰ নামত লিপিবদ্ধ কৰা হৈছিল আৰু সেয়েহে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল স্বীকাৰ্য্যভাৱে অধিনৰ সম্পত্তিৰ উত্তৰাধিকাৰ লাভ কৰাৰ অধিকাৰী আছিল। সেই অনুসৰি, তাত কোনো

সন্দেহ নাই যে উক্ত ভূমিৰ পৰিচয় প্ৰথমে চলটনতিৰ পৰা অধিনলৈ আৰু তাৰ পিছত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকললৈ পৰিৱৰ্তন হৈছিল। আনকি, ইয়াত পূৰ্বে উল্লেখ কৰা ধৰণে, খাটা নং ১১১ ৰ ১০ চিটা ভূমিৰ সন্দৰ্ভত একত্ৰীকৰণৰ উপ-সঞ্চালকজনে পোৱা সকলো তথ্যত, ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ নাম একচেটিয়াকৈ প্ৰৱিষ্ট কৰা হ'ব। সেই সময়তে, একত্ৰীকৰণৰ উপ-সঞ্চালকজনে ৰায় দিছিল যে আপীলকাৰীসকলৰ নাম খাটা নং ১১১ ৰ বাকী থকা চিটাসমূহতো অন্তৰ্ভুক্ত কৰা উচিত। ওপৰত স্বীকাৰ কৰা তথ্যৰ পৰা স্পষ্ট হয় যে উক্ত খাটাত লিপিবদ্ধ হৈ থকা ভূমিসমূহ ভিন্ন ভিন্ন নামত লিপিবদ্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। তাৰ পৰা স্পষ্ট হয় যে খাটা নং ১১১ ত থকা ভূমিবোৰৰ পৰিচয় সলনি কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছিল যিটো আইন মতে অনুমোদনযোগ্য নহয়।

তেনে অৱস্থিতি হোৱাৰ বাবে, নিৰ্ধাৰণ কৰিব লাগিব যে অধিনৰ ফালৰ পৰা উত্তৰাধিকাৰী হিচাপে ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল, যিসকলৰ নাম উক্ত ভূমিৰ সন্দৰ্ভত যথাযথভাবে লিপিবদ্ধ কৰা হৈছিল, সেই ভূমিৰ পৰিচয় আৰু পুনৰ সংস্থাপনৰ ভিত্তিত তেওঁলোকে উক্ত ভূমিৰ উত্তৰাধিকাৰী হোৱাৰ অধিকাৰী আছিল। যদি উক্ত ভূমিৰ পৰিচয় সলনি কৰা হৈছে, তেন্তে আপীলকাৰীসকলে সম্পত্তিখিনি এই ভিত্তিত লাভ কৰিব নোৱাৰিলে যে মূলতঃ এই ভূমি চলটনতিৰ নামত লিপিবদ্ধ হৈ আছিল আৰু উক্ত ভূমি তেওঁলোকৰ পৈত্ৰিক সম্পত্তি আছিল। সেয়েহে, ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকলৰ অনুৰোধত প্ৰস্তুত কৰা বংশবৃক্ষ মতে, যদিও তাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি, তথাপি ওপৰত উল্লেখ কৰা তথ্যৰ ভিত্তিত ১ ৰ পৰা ৩ নং প্ৰতিবাদীসকল উত্তৰাধিকাৰী হোৱাৰ অধিকাৰী আছিল।

আমি অভিলেখত এই বিষয়েও অন্তৰ্ভুক্ত কৰিব লাগিব যে ই একত্ৰীকৰণ কৰ্তৃপক্ষৰ সন্মুখত বিবাদিত হোৱা নাছিল তথা আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাইও আমাৰ সন্মুখত এই কথা বিতৰ্কিত কৰা নাছিল যে অধিনৰ সপক্ষে কৰা পুনৰ সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি উক্ত ভূমিৰ পৰিচয় সলনি কৰা হৈছিল। তেনে পৰিস্থিতি উদ্ভৱ হোৱা বাবে, আমি ধৰি লোৱা উচিত যে আপীলকাৰীসকলে সহ-পটতাদাৰৰ অধিকাৰসমূহ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল যদিও তেওঁলোকে প্ৰস্তুত কৰা বংশবৃক্ষক প্ৰমাণিত কৰাৰ ক্ষেত্ৰত আপীলকাৰীসকল সক্ষম হৈছিল আৰু লগতে উমৈহতীয়া পূৰ্বপুৰুষৰ ভূমি অধিগ্ৰহণ কৰাটো সফল হৈছিল।

সেই অনুসৰি, উক্ত কাৰণত খাটা নং ১১১ ৰ কিছু ভূমিত সহ-পটতাদাৰৰ অধিকাৰ প্ৰদান কৰাত একত্ৰীকৰণৰ উপ-সঞ্চালকজন অশুদ্ধ আছিল যে সেই চিটাসমূহ প্ৰথমতে চলটনতিৰ আছিল আৰু সেয়া আপীলকাৰীসকলৰ পৈত্ৰিক সম্পত্তি আছিল।

সেয়েহে আমি, ওপৰত উল্লেখিত আমাৰ আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্তত উপনীত হওঁ যে একত্ৰীকৰণৰ উপ-সঞ্চালকজনৰ আদেশ বিপৰীতমুখী কৰাৰ সময়ত, উচ্চ ন্যায়ালয়ে তেওঁ বিচাৰি পোৱা তথ্যৰ সন্ধানবোৰক পৃথক কৰি ৰখা নাছিল, কিন্তু আনহাতে স্বীকৃতিপ্ৰাপ্ত তথ্য আৰু একত্ৰীকৰণ কতৃপক্ষই লাভ কৰা তথ্যৰ সন্ধানৰ ওপৰত আইনৰ এক প্ৰশ্নৰ অৱতাৰণা কৰিছিল।

ইয়াত পূৰ্বে উল্লেখ কৰাৰ দৰে, ডঃ পড়িয়াই যুক্তি দৰ্শাইছিল যে যিহেতু দুজন সহ-পটতাদাৰক লেখ আবেদনৰ পক্ষ হিচাপে লোৱা হোৱা নাছিল, যি হ'ল ৰাম বচন আৰু সুভাষ চন্দ্ৰ অৰ্থাৎ এই আপীলৰ আপীলকাৰী নং ১৩ আৰু ১৪, সেয়েহে উচ্চ ন্যায়ালয়ে এই ভিত্তিত লেখ আবেদনখন খাৰিজ কৰা উচিত আছিল যে তেওঁলোকৰ অনুপস্থিতিত লেখ আবেদনখন আইন অনুসৰি বাহাল ৰাখিব পৰা নাযাব। ডঃ পড়িয়াৰ উক্ত দাবী এক সৰল কাৰণত মানি ল'ব নোৱাৰি যে আপীলকাৰী নং ১৩ আৰু ১৪ অৰ্থাৎ ৰাম বচন আৰু সুভাষ চন্দ্ৰই নিজকে চলটনতিৰ বংশধৰ বুলি কৈ উক্ত ভূমিত তেওঁলোকৰ অংশ দাবী কৰিছিল। ওপৰত প্ৰস্তুত কৰা আমাৰ তথ্যৰ প্ৰতি লক্ষ্য ৰাখি যে উক্ত ভূমি পুনৰ সংস্থাপন কৰি অধিনৰ নামত লিপিবদ্ধ কৰাৰ বাবেই উক্ত ভূমিৰ ওপৰত চলটনতিয়ে তেওঁৰ অধিকাৰ, স্বত্ব আৰু স্বাৰ্থ হেৰুৱাই পেলাইছিল আৰু সেয়েহে আপীলকাৰী নং ১৩ আৰু ১৪ অৰ্থাৎ ৰাম বচন আৰু সুভাষ চন্দ্ৰক লেখ আবেদনৰ পক্ষ হিচাপে লোৱা উচিত আছিল সেইটো ক'ব নোৱাৰি, যিহেতু তেওঁলোকক উক্ত ভূমিৰ সহ-পটতাদাৰ হিচাপে গণ্য কৰা পৰিলক্ষিত হোৱা নাছিল। সেই ভিত্তিত, উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আৱেদনত আপীলকাৰী নং ১৩ আৰু ১৪ অৰ্থাৎ ৰাম বচন আৰু সুভাষ চন্দ্ৰক পক্ষ হিচাপে অন্তৰ্ভুক্ত নকৰাৰ কাৰণে এইটো ক'ব নোৱাৰি যে লেখ আবেদনখন আইনমতে বাহাল ৰখাৰ যোগ্য নহয়। ওপৰত উল্লেখিত তথ্য অনুসৰি, ছিয়া ৰাম (সুভাষ চন্দ্ৰৰ পিতৃ) ৰ মৃত্যুৰ ক্ষেত্ৰত উদগনি দিয়াৰ কোনো প্ৰশ্ন একেবাৰে উত্থাপন হোৱা নাছিল।

সেই অনুসৰি, আমাৰ দৃষ্টিত, আপীলকাৰী নং ১৩ আৰু ১৪ অৰ্থাৎ ৰাম বচন আৰু সুভাষ চন্দ্ৰ লেখ আবেদন নং ২৭৩৬/১৯৭৬ ৰ একেবাৰেই আৱশ্যকীয় পক্ষ নাছিল আৰু তেওঁলোকৰ অনুপস্থিতিত লেখ আৱেদনখন অটুট ৰাখিব নোৱাৰি বুলি কৰা প্ৰশ্ন একেবাৰে উত্থাপিত হোৱা নাছিল। সেয়েহে, ছিয়া ৰামৰ মৃত্যুত দিয়া উদগনি তথা তেওঁলোকক অন্তৰ্ভুক্ত নকৰাৰ বাবে লেখ আবেদনৰ ৰক্ষণাবেক্ষণযোগ্যতাৰ প্ৰশ্নৰ সৈতে জড়িত ডঃ পড়িয়াৰ দ্বাৰা উল্লেখিত সিদ্ধান্তসমূহৰ সৈতে মোকাবিলা কৰাটো প্ৰয়োজনীয় নহয়। সেয়েহে, উক্ত প্ৰশ্নৰ উত্তৰ ঋণাত্মকত প্ৰদান কৰা হৈছিল।

ওপৰত উল্লেখিত কাৰণবোৰৰ বাবে উক্ত আপীল ব্যৰ্থ হয় আৰু ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ নিদিয়াকৈ খাৰিজ কৰা হয়।

এ. কে.টি. আপীল খাৰিজ কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া বৰা, অধিবক্তা

পৰীক্ষক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক